GAS S6 03 (M)

Exam Code: ASM6C

বিবিধ ৰচনা, শিশু সাহিত্য আৰু কল্প-বিজ্ঞান, পৰিৱৰ্তিত ৰূপত অসমীয়া সংস্কৃতি, কম্পিউটাৰত ব্যৱহৃত অসমীয়া ভাষা

ষষ্ঠ ষাণ্মাসিক

অসমীয়া

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ৰচনা লেখনৰ প্ৰাথমিক ধাৰণা** 7–17
ৰচনা লেখনৰ প্ৰাথমিক ধাৰণা

অধ্যায় ২ ঃ **সংবাদ আৰু বিজ্ঞাপন লেখনৰ প্ৰাথমিক ধাৰণা** 18–35
সংবাদ লেখনৰ প্ৰাথমিক ধাৰণা; বিজ্ঞাপন লেখনৰ প্ৰাথমিক ধাৰণা

অধ্যায় ৩ ঃ **সমীক্ষা আৰু প্ৰবন্ধ লেখনৰ প্ৰাথমিক ধাৰণা** 36–46
সমীক্ষা লেখন; প্ৰবন্ধ লেখন

অধ্যায় ৪ ঃ **গৱেষণা পত্ৰ লেখনৰ সাধাৰণ আভাস** 47–61
গৱেষণা পত্ৰ লেখন

অধ্যায় ৫ ঃ **শিশু সাহিত্য আৰু অসমীয়া শিশু সাহিত্য** 62–83
শিশু সাহিত্য ঃ সংজ্ঞা, অৰ্থ আৰু ইতিহাস; অসমীয়া শিশু সাহিত্য ঃ উদ্ভৱ আৰু বিকাশ, সাম্প্ৰতিক সময়ৰ অসমীয়া শিশু সাহিত্য, অসমীয়া সাহিত্যত শিশু সাহিত্যৰ স্থান

অধ্যায় ৬ ঃ **কল্প-বিজ্ঞান আৰু অসমীয়া কল্প-বিজ্ঞান** 84–103
কল্প-বিজ্ঞান ঃ সংজ্ঞা, অৰ্থ আৰু ইতিহাস; অসমীয়া কল্প-বিজ্ঞান সাহিত্য ঃ অসমীয়া সাহিত্যত কল্প-বিজ্ঞানৰ স্থান

অধ্যায় ৭ ঃ **গহীন তথা শিশু-সাহিত্য হিচাপে কল্প-বিজ্ঞান** 104–114
সাম্প্ৰতিক সময়ৰ সাহিত্যত কল্প-বিজ্ঞানৰ স্থান ঃ গহীন সাহিত্য হিচাপে কল্প-বিজ্ঞান, শিশু সাহিত্য হিচাপে কল্প-বিজ্ঞান

খণ্ড পৰিচয় ঃ খণ্ড - ১

এই পাঠ্যবিষয়টিৰ প্ৰথম খণ্ডটোত সাতটা অধ্যায় আছে। পাঠ্যবিষয়ৰ পৰিচিতিত উল্লেখ কৰা চাৰিটা শাখাৰ প্ৰথম দুটা শাখা ইয়াত অন্তৰ্ভুক্ত হৈছে। 'বিবিধ ৰচনা' শাখাটোত চাৰিটা অধ্যায় আছে আৰু 'শিশু সাহিত্য আৰু কল্প বিজ্ঞান' শাখাটোত তিনিটা অধ্যায় অন্তৰ্ভুক্ত হৈছে। ইয়াৰে প্ৰথম অধ্যায়টোৰ শিৰোনাম হ'ল — "ৰচনা লেখনৰ প্ৰাথমিক ধাৰণা"। ইয়াত ৰচনাৰ সংজ্ঞা, অৰ্থ আৰু ইতিহাস, ৰচনাৰ উপাদান, প্ৰকাশভংগী, ৰচনাৰ শ্ৰেণীবিভাজন, শৈক্ষিক আৰু বৃত্তিগত লিখনি আদিৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। "সংবাদ আৰু বিজ্ঞাপন লেখনৰ প্ৰাথমিক ধাৰণা" শীৰ্ষক দ্বিতীয় অধ্যায়টোৰ জৰিয়তে আপোনাক সংবাদৰ সংজ্ঞা, ধাৰণা, অৰ্থ আৰু ইতিহাস, সংবাদৰ শ্ৰেণীবিভাজন, লিখন পদ্ধতি, বিভিন্ন প্ৰকাৰৰ সংবাদ, বিজ্ঞাপনৰ সংজ্ঞা, অৰ্থ আৰু ইতিহাস, বিজ্ঞাপনৰ লক্ষ্য আৰু উদ্দেশ্য, বিজ্ঞাপনৰ সমল, বিজ্ঞাপন লিখাৰ কাৰিকৰী কৌশল, ইয়াৰ লগত জড়িত বিবিধ পৰিভাষা আৰু আইন আদিৰ বিষয়ে ধাৰণা প্ৰদান কৰিব বিচৰা হৈছে। তৃতীয় অধ্যায়ৰ শিৰোনাম "সমীক্ষা আৰু প্ৰবন্ধ লেখনৰ প্ৰাথমিক ধাৰণা"। ইয়াত সমীক্ষাৰ সংজ্ঞা, অৰ্থ আৰু ইতিহাস, লিখন পদ্ধতি, বিভিন্ন প্ৰকাৰৰ সমীক্ষা; প্ৰবন্ধৰ সংজ্ঞা, অৰ্থ আৰু ইতিহাস, লিখন পদ্ধতি — গুৰুত্ব দিবলগীয়া কিছু দিশ অদিৰ বিষয়ে আলোচনা কৰা হৈছে। এই শাখাটোৰ শেষৰটো অধ্যায় তথা পাঠ্যবিষয়ৰ চতুৰ্থ অধ্যায়ত এটি গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হৈছে। এই আধ্যায়টোত গৱেষণা মানে কি, গৱেষণাৰ উদ্দেশ্য, গুৰুত্ব, শ্ৰেণীবিভাগ, প্ৰক্ৰিয়া, প্ৰণালী আদিৰ বিষয়ে বহলাই আলোচনা কৰি গৱেষণা পত্ৰ কেনেদৰে লিখা হয় সেই বিষয়ে অৱগত কৰিব বিচৰা হৈছে। এই ষাণ্মাসিকৰ শেষৰখন পাঠ্যবিষয়ৰ এটা অংশৰ বাবে আপুনি এখন গৱেষণা পত্ৰ প্ৰস্তুত কৰি জমা দিব লাগিব। সেই বাবেই এই অধ্যায়টোৰ জৰিয়তে আপোনাক গৱেষণা কৰ্মৰ পুথিগত দিশসমূহ অৱগত কৰোঁৱা হৈছে। আপুনি সেইখন পাঠ্যবিষয়ত এই অধ্যায়টোৰ পৰা লাভ কৰা জ্ঞানসমূহৰ ব্যৱহাৰিক প্ৰয়োগ কৰিব লাগিব।

পাঠ্যবিষয়টিৰ এইটো খণ্ডত অন্তৰ্ভুক্ত হোৱা দ্বিতীয়টো শাখাত দুটা বিষয় আছে — শিশু সাহিত্য আৰু কল্প-বিজ্ঞান। সাধাৰণতে সাহিত্যৰ ছাত্ৰসকলক এই বিষয় দুটা বিশেষভাৱে অধ্যয়ন কৰিবলৈ দিয়া দেখা নাযায়। কিন্তু আমাৰ বিশ্ববিদ্যালয়ে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰি এই বিষয় দুটা পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কৰিছে। কাৰণ বিশ্ববিদ্যালয়ে বিশ্বাস কৰে— "আজিৰ শিশু কালিলৈ দেশৰ বিশিষ্ট নাগৰিক"। সেয়ে তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে সৃষ্টি হোৱা সাহিত্যৰাজিৰ বিষয়ে আমি জানিলেহে তেওঁলোকক সঠিক পথ দেখুৱাব পাৰিম। পাঠ্যবিষয়টিৰ পঞ্চমটো অধ্যায়ৰ শিৰোনাম — "শিশু সাহিত্য আৰু অসমীয়া শিশু সাহিত্য"। ইয়াত শিশু সাহিত্যৰ সংজ্ঞা, অৰ্থ আৰু ইতিহাস; বৈশিষ্ট্য, শ্ৰেণী বিভাজন, সমল, বিষয়বস্তু, উপস্থাপন শৈলী, ভাষা আৰু ৰচনাৰীতি, মনস্তাত্ত্বিক দিশ; অসমীয়া শিশু সাহিত্যৰ উদ্ভৱ আৰু বিকাশ, সাম্প্ৰতিক সময়ৰ অসমীয়া শিশু সাহিত্য, অসমীয়া সাহিত্যত শিশু সাহিত্যৰ স্থান সম্পৰ্কে গভীৰভাৱে আলোচনা কৰা গৈছে। ষষ্ঠটো অধ্যায়ত কল্প-বিজ্ঞানৰ সংজ্ঞা, অৰ্থ আৰু ইতিহাস; বৈশিষ্ট্য, শ্ৰেণী বিভাজন, সমল, বিষয়বস্তু, উপস্থাপন শৈলী, ভাষা আৰু ৰচনাৰীতি, মনস্তাত্ত্বিক দিশ; অসমীয়া কল্প-বিজ্ঞানৰ উদ্ভৱ আৰু বিকাশ, সাম্প্ৰতিক সময়ৰ অসমীয়া কল্প-বিজ্ঞান, অসমীয়া সাহিত্যত কল্প-বিজ্ঞানৰ স্থানৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায়টিৰ শিৰোনাম — "কল্প-বিজ্ঞান আৰু অসমীয়া কল্প-বিজ্ঞান"। এই খণ্ডটোৰ শেষৰটো অধ্যায় "গহীন তথা শিশু-সাহিত্য হিচাপে কল্প-বিজ্ঞান"ত সাম্প্ৰতিক সময়ৰ সাহিত্যত কল্প-বিজ্ঞানৰ স্থান, গহীন সাহিত্য হিচাপে কল্প-বিজ্ঞান আৰু শিশু-সাহিত্য হিচাপে কল্প-বিজ্ঞান — এই দিশ কেইটা আলোচনা কৰা হৈছে। এই অধ্যায়টো প্ৰস্তুত কৰোঁতে মূলতঃ অসমীয়া কল্প-বিজ্ঞান সাহিত্যৰ কথাই বিশেষভাৱে বিবেচনা কৰা হৈছে। প্ৰয়োজন সাপেক্ষে বিশ্বৰ কল্প-বিজ্ঞান সাহিত্যৰো প্ৰসংগ উল্লেখ কৰা গৈছে। পাঠবিষয়টিৰ এইটো খণ্ড অধ্যয়ন কৰি আপুনি ইতিমধ্যে উল্লেখ কৰা বিষয়সমূহৰ বিষয়ে গভীৰ ধাৰণা লাভ কৰাৰ লগতে এই জ্ঞান কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰিব বুলি আশা কৰা হৈছে।